# আমাৰ গৌৰৱ

**এই সকল কৃতীমানে ২০১৪ চনৰ উচ্চতৰ মাধ্যমিক আৰু স্নাতক ষান্মাষিকৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিছে**

**উঃ মাঃ (কলা শাখা)**

সন্দীপ বড়ো
লিমা হাটো
জহৰুদ্দিন আহমেদ
মিনাক্ষী নাথ
ভূমিকা কলিতা
সুৰজিৎ খাখলাৰী
ঐশ্বৰ্য ৰাভা
ৰত্নজিৎ কলিতা
জুৰি দাস
নাজিৰা খাতুন
চাদিকা জেচমিন আহমেদ
বন্দনা ৰয়
চন্দ্ৰিকা দাস
চাহজাহান আহমেদ
মালবিকা ৰাভা

**উঃ মাঃ (বাণিজ্য শাখা)**

জকাৰিয়া আহমেদ
অনামিকা ৰাভা
পাপু মহন্ত
উপাসনা কলিতা
জুৰি বসুমতাৰী
ইলিয়াচ হাছান
প্ৰিয়া সাহা
অপৰাজিতা খাখলাৰী
অনুৰাধা ৰাভা

**স্নাতক ষষ্ঠ ষান্মাষিক (কলা শাখা)**

মমতা হাজোৱাৰী
নুৰুল আমিন আহমেদ
ৰিমজিম পাটগিৰী
ৰুনুমী দাস
মায়াৰাণী বিশ্বাস
সোনাশ্ৰী বসুমতাৰী
কণিকা কছাৰী

**স্নাতক ষষ্ঠ ষান্মাষিক (বাণিজ্য শাখা)**

অঞ্জুমা বসুমতাৰী

▶ মহাবিদ্যালয়ৰ স্নাতকোত্তৰ চুতুৰ্থ ষান্মাষিকৰ ছাত্ৰী মিচ বুলুমনি ৰাভা এগৰাকী সুকণ্ঠী গায়িকা। নিজ ৰাজ্য অসমৰ লগতে বহিঃ ৰাজ্যৰ বিভিন্ন মঞ্চত গীত পৰিৱেশন কৰি বুলুমনিয়ে ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। এইগৰাকী দৰদী কণ্ঠশিল্পীয়ে নিজৰ বিজয় ধাৰা অব্যাহত ৰাখিবলৈ অহৰ্নিশে প্ৰচেষ্টা অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে গুৱাহাটী বিশ্ববিদ্যালয়ে ২০১১ আৰু ২০১২ চনত অনুষ্ঠিত কৰা যুৱ মহোৎসৱৰ সংগীতৰ প্ৰতিটো প্ৰতিযোগিতাতে স্বৰ্ণ পদক লাভ কৰিবলৈ সক্ষম হৈছে। এইবেলি ২০১৪ চনত গুৱাহাটী কমাৰ্চ কলেজে সদৌ অসম ভিত্তিত অনুষ্ঠিত কৰা আন্তঃ মহাবিদ্যালয় সংগীত প্ৰতিযোগিতাত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাত বুলুমনিয়ে প্ৰথম বিজয়ীৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। ভইচ অফ ইণ্ডিয়াৰ নৰ্থ ইষ্ট শাখাতো বুলুমনিয়ে শ্ৰেষ্ঠা গায়িকাৰ সন্মান লাভ কৰে। মুঠৰ ওপৰত বুলুমনিৰ সংগীতৰ ক্ষেত্ৰত বিজয়ৰ তালিকা অতি দীঘলীয়া।

▶ মহাবিদ্যালয়ৰ ছাত্ৰ নকুল ৰাভাই গোৱালপাৰা জিলা ভিত্তিত হাব্ৰাঘাট মহাবিদ্যালয়ে পৰিৱেশ সজাগতাৰ ওপৰত অনুষ্ঠিত কৰা চিত্ৰাংকন প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰি সুনাম কঢ়িয়াই আনিছে।

▶ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অসমৰ বিভিন্ন মঞ্চত 'অ' মোৰ আপোনাৰ দেশ' জাতীয় সংগীতটো বিভিন্ন ভাষাত পৰিৱেশন কৰি সুনাম অৰ্জন কৰে।

▶ মহাবিদ্যালয়ৰ ফুটবল দলটিয়ে জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকোই অনুষ্ঠিত কৰা ফুটবল টুৰ্ণামেন্টত বিজয়ীৰ সন্মান লাভ কৰিবলৈ সক্ষম হয়।



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে মই বিকালী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা সকলোলৈকে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু অভিন্দন জ্ঞাপন কৰিছোঁ। সম্পাদকীয় প্ৰতিবেদনৰ জৰিয়তে যি সকল মহান ব্যক্তিয়ে এই অঞ্চলৰ আৰ্থ-সামাজিক, সাংস্কৃতিক আৰু ভাষা-সাহিত্যৰ বিকাশ, প্ৰকাশ ৰক্ষাৰ হকে সেৱা আগবঢ়াই ইহ সংসাৰৰ পৰা বিদায় মাগিলে সেই মহান ব্যক্তিসকললৈ চিৰশান্তি কামনা কৰি অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।

১৯৮২ চনত স্থাপিত বিকালী মহাবিদ্যালয় এই অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান। ১৯৯২ চনত ঘাটি মঞ্জুৰি প্ৰাপ্ত এই মহাবিদ্যালয়ে অক্লান্ত শ্ৰম আৰু নিস্বাৰ্থ সেৱাৰ মনোবৃত্তিৰে বিগত ৩২ বছৰে বিকালী বাসী ৰাইজৰ দীৰ্ঘদিনীয়া অভাৱ আৰু সপোন বাস্তৱত ৰূপায়িত কৰাৰ দিশত অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

বিকালী মহাবিদ্যালয়ৰ সামগ্ৰীক উন্নয়নত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ অৱদান উল্লেখনীয়। বিবাদমান ৰাজনৈতিক বাতাবৰণ আৰু সাম্প্ৰদায়িকতাৰ পৰা মুক্ত হৈ এক সুস্থ পৰিৱেশৰ মাজতে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক, সামাজিক, নৈতিক, আধ্যাত্মিক, শাৰীৰিক, মানসিক আৰু সাংস্কৃতিক দিশৰ উন্নয়ন কৰাই ছাত্ৰ একতা সভাৰ প্ৰধান লক্ষ্য আৰু উদ্দেশ্য। তাকেই সৰোগত কৰি বিগত বছৰ সমূহৰ দৰে যোৱাবেলিও যোৱা ২০১৩-১৪ ইং শিক্ষাবৰ্ষৰ বাবে ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত বিভিন্ন বিভাগৰ সম্পাদক/সম্পাদিকাসকল নিৰ্বাচিত হয়। ১৯-১১-১৩ ইং তাৰিখে নৱ গঠিত ছাত্ৰ একতা সভাৰ দায়িত্বভাৰ আৰু শপত গ্ৰহণ অনুষ্ঠানৰ জৰিয়তে মই সাধাৰণ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰো। কাৰ্যভাৰ গ্ৰহণৰস দিনাখন অধ্যক্ষা, অধ্যাপক, অধ্যাপিকা আৰু ছাত্ৰ একতা সভাৰ প্ৰাক্তন বিষয় ববীয়াসকলে দিয়া বহুমূলীয়া পৰামৰ্শ সৰোগত কৰিছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলোৰ সহযোগিতাত কিমানখিনি কাৰ্যকৰী কৰিব পাৰিলো তাৰ বিচাৰ বিশ্লেষণ আপোনালোকৰ ওপৰত অৰ্পন কৰিলোঁ।

কাম-কাজৰ খতিয়ান ঃ এইখিনিতে মোৰ এবছৰীয়া কাৰ্যকালত সাধাৰণ সম্পাদকৰ বিভাগৰ পৰা হোৱা কাম-কাজৰ খতিয়ান আপোনালোকৰ জ্ঞাতাৰ্থে দাঙি ধৰিব বিচাৰিছোঁ।

**মহাবিদ্যালয় সপ্তাহ ঃ** ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশৰ বাবে মহাবিদ্যালয় এখনৰ 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত কৰাটো অপৰিহাৰ্য। সেয়েহে আমি কাৰ্যভাৰ লোৱাৰ পিছতে প্ৰথম পদক্ষেপ হিচাপে যোৱা ৩১-১২-১৩ ইং তাৰিখ মঙ্গলবাৰৰ কাৰ্যনিৰ্বাহিক সভাত ২১-০১-১৪ ইং তাৰিখ মঙ্গলবাৰৰ পৰা ২৫-০১-১৪ ইং তাৰিখ শনিবাৰলৈ মুঠ পাঁচ দিনীয়া কাৰ্যসূচীৰে 'মহাবিদ্যালয় সপ্তাহ' পাতিবলৈ সিদ্ধান্ত গ্ৰহণ কৰো। সেইমৰ্মে যোৱা ২১-০১-১৪ ইং তাৰিখ মঙ্গলবাৰে পুৱা ৮.০০ বজাত সম্পাদকৰ আহ্বান মৰ্মে মহাবিদ্যালয়ৰ অধ্যক্ষা আৰু ছাত্ৰ একতা সভাৰ সভানেত্ৰী মাননীয়া ড° মলিনা দেৱী ৰাভা বাইদেউৱে পতাকা উত্তোলন কৰি কাৰ্যসূচীৰ পাতনি মেলে আৰু বৰ্ণাঢ্য শোভাযাত্ৰাৰ সমদল উলিয়াই পিছৰ কাৰ্যসূচী সম্পাদন কৰা হয়।

**সৰস্বতী পূজা ঃ** অইন অইন বছৰৰ দৰে আমাৰ কাৰ্যকালতো ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ পৰা যোৱা ০৪-০২-১৪ ইং তাৰিখ মঙ্গলবাৰে সৰস্বতী পূজা মহাবিদ্যালয়ৰ অধ্যাপক, অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীৰ সহযোগত উলহ-মালহেৰে আয়োজন কৰা হয়।

**নৱাগত আদৰণি সভা ঃ** বিগত বছৰৰ দৰে এইবেলিও যোৱা ৩০-০৮-১৪ ইং তাৰিখ' শনিবাৰে নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰাৰ উদ্দেশ্যে 'নৱাগত আদৰণি' সভাখন অনুষ্ঠিত কৰা হয়। উক্ত কাৰ্যসূচীত সন্মান সহকাৰে আমন্ত্ৰণ কৰি অনা উদীয়মান কণ্ঠ শিল্পী ৰাজেশ বৰুৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত অনুষ্ঠানে নৱাগত আদৰণি সভাখন আকৰ্ষণীয় কৰি তোলে। সন্ধিয়ালৈকে ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিয়ে অনুষ্ঠানটি সফল কৰাত যথেষ্ট সহায় কৰে। আদৰণি সভাৰ লগত সঙ্গতি ৰাখি প্ৰদৰ্শনী মেলা আৰু গ্ৰন্থমেলাৰো আয়োজন কৰা হয়।

ইয়াৰোপৰি বৰ্ষটোত ভালেকেইটা অনুষ্ঠান কেৰিয়াৰ কাউন্সেলিং, আলোচনা চক্ৰ অনুষ্ঠিত কৰা হৈছিল আৰু কেবাটাও চাফাই কাৰ্যসূচী, ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ দ্বাৰা আয়োজিত তিনি দিনীয়া বিশেষ শিবিৰ অনুষ্ঠিত কৰা হয়।

আমি লক্ষ্য কৰিছোঁ মহাবিদ্যালয়খনত সৃষ্টিশীল প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীৰ অভাৱ নাই। মাথোন প্ৰণালীবদ্ধ অধ্যয়নৰ প্ৰয়োজন। সাংস্কৃতিক উৎকৰ্ষ সাধনৰ অংগ স্বৰূপে গীত-মাত-নৃত্য আদি দিশত মহাবিদ্যালয়খন আগবঢ়া। যোৱা ০২-০৬-১৪ ইং তাৰিখ সোমবাৰে অৰুণাচল প্ৰদেশৰ নিৰজুলিত অনুষ্ঠিত NSS Youth Festival- 2014 ত আমাৰ মহাবিদ্যালয়ৰ পৰা NSS Volunteer হিচাপে ক্ৰমে দীপক ৰাভা, ভৃগু কুঃ সূত্ৰধৰ, গীতিকা ৰাভা আৰু দীপাঞ্জলী ৰাভাই অংশ গ্ৰহণ কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনে। ইয়াৰোপৰি আমাৰ মহাবিদ্যালয়ৰ "অ' মোৰ আপোনাৰ দেশ সমন্বয় যাত্ৰা" ই বৰ্ষটোত বহুকেইখন অনুষ্ঠানত বহু কেইটা জাতি-জনজাতিৰ ভাষাত "অ' মোৰ আপোনাৰ দেশ" জাতীয় সংগীতটো পৰিবেশন কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে। সেই গৌৰৱ এতিয়াও অব্যাহত আছে।

আমাৰ মহাবিদ্যালয়খন ক্ৰীড়াৰ ক্ষেত্ৰতো অগ্ৰনী। যোৱা ২৩-৭-১৪ ইং তাৰিখ বুধবাৰে জৱাহৰলাল নেহেৰু মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ লগত সংগতি ৰাখি আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি আমাৰ মহাবিদ্যালয়ৰ দলটোৱে ৰাধা গোবিন্দ বৰুৱা মহাবিদ্যালয়ক পৰাস্ত কৰি চেম্পিয়নশ্বিপ হৈ মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।

বিকালী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা ১৯৯৮-৯৯ ইং শিক্ষাবৰ্ষৰ প্ৰাক্তন সাধাৰণ সম্পাদক দিগন্ত মেধিৰ আকস্মিক দুৰ্ঘটনাজনিত যোৱা ০২-০৪-১৪ ইং তাৰিখ বুধবাৰে অকালতে মৃত্যুক সাৱটি লয়। পিছদিনা বৃহস্পতিবাৰে মহাবিদ্যালয়ৰ সকলো শ্ৰেণীৰে পাঠ্যক্ৰম বন্ধ কৰি দিনৰ ১১.৩০ বজাত দিগন্ত মেধিৰ আত্মাৰ সদগতিৰ অৰ্থে এখন শোক সভা অনুষ্ঠিত কৰা হয়। শোক সভা অন্ত হোৱাৰ পিছতে শোকাকুল পৰিয়ালবৰ্গলৈ সমবেদনা জনোৱাৰ অৰ্থে এটি শোক প্ৰতিবেদন দিগন্ত মেধিৰ পৰিয়াললৈ প্ৰেৰণ কৰো।

**অভাৱ-অভিযোগ ঃ** মোৰ কাৰ্যকলাপৰ সময়ত কেইটিমান বিশেষ দিশত অভাৱ অনুভৱ কৰিছিলো। সেইবোৰ হ'ল ক্ৰমে - ছাত্ৰ-ছাত্ৰীৰ জিৰণি সময়ৰ সৎব্যৱহাৰৰ বাবে উপযুক্ত ঠাইৰ অভাৱ, ভাল প্ৰেস্বাৱগাৰ আৰু শৌচাগাৰৰ অভাৱ, নিয়মীয়া পানী যোগানৰ অভাৱ ইত্যাদি। নিৰ্দ্ধাৰিত সময়ত পদক্ষেপ লোৱাৰ পিছতো আজিলৈ শ্বহীদ বেদীৰ কাম আৰম্ভ হোৱা নাই। শ্ৰেণীকোঠা অনুপাতে বিজুলি পাংখাৰ অভাৱ বাৰুকৈ অনুভৱ কৰিছিলোঁ।

প্ৰতিবেদনৰ সামৰণিত মোক বিভিন্ন দিশত সহায়ৰ লগতে পৰামৰ্শ আগবঢ়োৱা মোৰ শ্ৰদ্ধাৰ অধ্যক্ষা মাননীয়া ডঃ মলিনা দেৱী ৰাভা বাইদেউ, উপ-সভাপতি ডঃ বিভূতি কলিতা, তত্বাৱধায়ক দীনবন্ধু কলিতা ছাৰ প্ৰমুখ্যে ছাত্ৰ একতা সভাৰ সমূহ উপদেষ্টা, তত্বাৱধায়ক-তত্বাৱধায়কায়িকা মহাশয় সকলোক জ্ঞাপন কৰিছো আন্তৰিক কৃতজ্ঞতা। কাৰ্যকালত হৈ যোৱা প্ৰতিটো কাৰ্যসূচীতে যথেষ্ট সহায় আগবঢ়োৱা সহঃ সাধাৰণ সম্পাদক চন্দন ৰাভা, ভাতৃসম বন্ধু হিৰকজ্যোতি বড়ো, লিন্ময় ৰয় আৰু ছাত্ৰ একতা সভাৰ সমূহ সম্পাদক/সম্পাদিকা লগতে সমূহ বন্ধুবৰ্গলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ। এওঁলোক আবিহনে হয়তো মোৰ কাৰ্যভাৰ সুচাৰুৰূপে চলোৱাত অসুবিধাৰ হলহেঁতেন।

সদৌ শেষত মোৰ কাৰ্যকালত যদি কিবা অনিচ্ছাকৃত ভুল-ভ্ৰান্তি হৈছে, তাৰ বাবে সকলোৰ ওচৰত ক্ষমা বিচাৰিছো বিকালী মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি আৰু 'বিকালিয়ান'ৰ দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিছোঁ।

*'জয়তু বিকালী মহাবিদ্যালয়'*

*'জয়তু বিকলী মহাবিদ্যালয় ছাত্ৰ একতা সভা'*

**ধন্যবাদেৰে-**

চক্ৰধৰ ৰাভা

সাধাৰণ সম্পাদক

*বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৩-১৪ ইং শিক্ষাবৰ্ষ।*

# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ প্ৰচেষ্টাত এই বিদ্যা মন্দিৰটো জন্ম হৈছিল সেইসকল মহান ব্যক্তিলৈ শ্ৰদ্ধা আৰু আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে বিকালী মহাবিদ্যালয়ৰ অধ্যক্ষা মহাশয়া, উপধ্যক্ষা মহাশয়া আৰু শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল।

সহঃ সাধাৰণ সম্পাদক হিচাপে দায়িত্বভাৰ লোৱাৰ পিছতে মহাবিদ্যালয়খনৰ বিভিন্ন কাম-কাজ বোৰত সেৱা আগবঢ়াব পাৰিম বুলি বহুত আনন্দিত হৈছিলো। ২০১৩-১৪ বৰ্ষত হৈ যোৱা বিভিন্ন অনুষ্ঠানবিলাকত বিশেষকৈ মহাবিদ্যালয় সপ্তাহ, সৰস্বতী পূজা, নৱাগত আদৰণি সভা আদিত সাধাৰণ সম্পাদক আৰু অন্যান্য বিভাগীয় সম্পাদকৰ সৈতে নিজৰ দায়িত্ববোৰ পালন কৰি গৈছিলো।

ছাত্ৰ-ছাত্ৰীৰ সমস্যা বা অভাৱ-অনাটনবোৰ অনুভৱ হ'লে আমাৰ বিভাগীয় তত্বাবধায়েক তথা পৰামৰ্শক সকলৰ সৈতে আলোচনা কৰি সমাধানৰ বাবে চেষ্টা কৰিছিলো। লগতে মহাবিদ্যালয়খনৰ পৰিৱেশ সদায় সু-শৃংখলাবদ্ধভাৱে চলাই নিবলৈ চেষ্টা কৰিছিলো।

কাৰ্যকালৰ সময়চোৱাত কোনো বিশেষ অসুবিধা উপলব্ধি কৰা নাছিলো যদিও মাজে-সময়ে কিছুমান কাম-কাজত অভাৱ, অসুবিধা পাইছিলো। কিন্তু মোৰ বিভাগীয় তত্বাবধায়কৰ সৈতে আলোচনা কৰি সেই অভাৱ, অসুবিধাবোৰ দূৰ কৰিবলৈ চেষ্টা কৰিছিলো।

শেষত মোৰ কাৰ্যকালত বিভিন্ন ধৰণে দিহা-পৰামৰ্শ আগবঢ়োৱা তত্বাবধায়ক শ্ৰদ্ধাৰ মাননীয় শ্ৰীযুত দীনবন্ধু কলিতা ছাৰলৈ আৰু লগতে অন্যান্য বিভাগীয় তত্বাবধায়ক আৰু পৰামৰ্শক সকললৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। মোৰ কাৰ্যকালত হৈ যোৱা অনিচ্ছাকৃত ভুল-শ্ৰুটিৰ বাবে সকলোৰে আগত ক্ষমা ভিক্ষা মাগি লগতে বিকালী মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি আৰু 'বিকালিয়ান'ৰ দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰণি মাৰিলো।

**ধন্যবাদেৰে-**

শ্ৰীচন্দন ৰাভা

সহঃ সাধাৰণ সম্পাদক

*বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৩-১৪ ইং শিক্ষাবৰ্ষ।*



# গুৰু ক্ৰীড়া বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিয়ে আমাৰ মহাবিদ্যালয়খন জন্ম দি উচ্চ শিক্ষাৰ ক্ষেত্ৰত এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক সুবিধা তথা উপকাৰ কৰিলে তেখেতসকলক শ্ৰদ্ধাৰে সোঁৱৰিছোঁ।

যিসকল ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ বহুমূলীয়া ভোটটি দি মোক ২০১৩-১৪ ইং বৰ্ষৰ গুৰু খেল বিভাগৰ সম্পাদক পদত বিপুল ভোটত জয়যুক্ত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুবিধাকণ দিলে তেওঁলোকলৈ মই অশেষ ধন্যবাদ যাঁচিছো।

খেল হৈছে এবিধ শিক্ষাৰ অবিচ্ছেদ্য অংগ। এজন খ্যাতিসম্পন্ন খেলুৱৈ হ'ব পৰাটো কেৱল খেলুৱৈজনৰে গৌৰৱ নহয়, আমাৰ জাতি তথা দেশৰ গৌৰৱ। সেয়েহে প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে খেলক সময়ৰ অপব্যৱহাৰ বুলি নাভাবি খেল প্ৰতিযোগিতা সমূহত যোগদান কৰা নিতান্তই প্ৰয়োজন। সেয়েহে মই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক আগন্তুক মহাবিদ্যালয় সপ্তাহত তেওঁলোকৰ প্ৰতিভা বিকাশ কৰাৰ কাৰণে খেল প্ৰতিযোগিতাসমূহত যোগদান কৰিবলৈ অনুৰোধ জনালো।

মই গুৰু খেল বিভাগৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতে 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত কৰা হয়। কিন্তু দুখৰ বিষয়, আমাৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকল কিছুমান সুযোগ-সুবিধাৰ পৰা বঞ্চিত হয়। ছাত্ৰ-ছাত্ৰীৰ তুলনাত খেলৰ সামগ্ৰী কম, উপযুক্ত খেলপথাৰৰ অভাৱ আদি। এইবোৰ অসুবিধাৰ মাজতো 'মহাবিদ্যালয় সপ্তাহ'ত মই বিভিন্নধৰণৰ খেল-ধেমালি অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছিলো। মহাবিদ্যালয় সপ্তাহত বিভিন্ন প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীসকলে অংশ গ্ৰহণ কৰি সফল কৰাৰ বাবে মই এই চেগতে ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্যকালত বিকালী মহাবিদ্যালয়ৰ পৰা এটি Foot ball Team উলিয়াই বকোত, জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ 'সোণালী জয়ন্তী' বৰ্ষৰ উপলক্ষে অনুষ্ঠিত লীগখেলখনত ৰাধাগোবিন্দ মহাবিদ্যালয়, গুৱাহাটীৰ লগত আমাৰ মহাবিদ্যালয়খনে ফাইনেল খেলি প্ৰথম পুৰস্কাৰ লৈ 'চেম্পিয়নশ্বিপ' হয়। এই চেগতে মই বিকালী মহাবিদ্যালয়ৰ Foot ball Team ৰ সমূহ খেলৱৈবৃন্দক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

শেষত মোৰ কাৰ্যকালত বিভিন্ন ধৰণে পৰামৰ্শ আগবঢ়োৱা উপদেষ্টা আৰু তত্ত্বাৱধায়ক ক্ৰমে শ্ৰদ্ধাৰ ড° আব্দুল হক আহমেদ আৰু ৰমেন সিং ৰাভা ছাৰক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মই গুৰু খেল বিভাগৰ দায়িত্ব গ্ৰহণ কৰা দিনৰে পৰা এই প্ৰতিবেদন লিখা সময়লৈ প্ৰতিটো কাৰ্যতে বিশেষ সহায়-সহযোগিতা আগবঢ়োৱা মোৰ সমূহ বন্ধু-বান্ধৱী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল। মোৰ কাৰ্যকালত হৈ যোৱা অনিচ্ছাকৃত ভুল-ক্ৰুটিৰ বাবে সকলোৰে আগত ক্ষমা ভিক্ষা মাগি লগতে মহাবিদ্যালয়খনৰ উজ্জ্বল উৰিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰণি মাৰিলো।

*'জয়তু বিকালী মহাবিদ্যালয়'*

*'জয়তু বিকলী মহাবিদ্যালয় ছাত্ৰ একতা সভা'*

**ধন্যবাদেৰে-**

বিপুল ৰাভা

সম্পাদক, গুৰু ক্ৰীড়া বিভাগ

*বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৩-১৪ ইং শিক্ষাবৰ্ষ*

# লঘু ক্ৰীড়া বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাকমুহূৰ্ত্তত স্বদেশ আৰু জাতিৰ অস্তিত্ব ৰক্ষাৰ হকে যিসকল বীৰ শ্বহীদে কলিজাৰ কেঁচা তেজেৰে ত্যাগৰ শলিতা জ্বলাই প্ৰাণ আহুতি দিলে সেই মহান বীৰ শ্বহীদ সশ্ৰদ্ধ প্ৰণিপাত জনাইছো।

২০১৩-১৪ ইং বৰ্ষৰ বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ লঘু খেল বিভাগৰ সম্পাদক পদত নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ উন্নতিৰ হকে সেৱা আগবঢ়োৱাৰ সুযোগকণ দিয়াৰ বাবে সকলো বন্ধু-বান্ধৱী তথা দাদা-বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

খেল-ধেমালি বিকাশৰ এটা মাধ্যম যাৰ দ্বাৰা সুন্দৰ-সুঠাম শৰীৰ, মন আৰু আত্মাৰ বিকাশ ঘটে। সমাজত বাস কৰি আনক ভালপোৱা, মৰম-চেনেহৰ লগতে প্ৰতিযোগিতামূলক মানসিকতা বৃদ্ধিৰ বাবে খেল-ধেমালিক এটা সুন্দৰ মাধ্যম হিচাপে গ্ৰহণ কৰাৰ যুক্তিযুক্ততা আছে।

মই লঘু খেল বিভাগৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। বিগত বছৰতকৈ এইবেলি নতুন লঘু খেল বিভাগৰ প্ৰতিযোগিতা পতাত মই বিশেষ অসুবিধা পাওঁ। বিশেষকৈ ছোৱালীৰ বেডমিন্টন আৰু ছোৱালীৰ কাবাদী প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা তেনেই নগণ্য। সেয়ে মই প্ৰতিবেদনৰ জড়িয়তে বিকালী মহাবিদ্যালয় কতৃপক্ষক অনুৰোধ জনাওঁ যাতে খেলা-ধূলাৰ পৰিৱেশ সৃষ্টি কৰিব পৰাকৈ খেলৰ সা-সুবিধাৰ যোগান ধৰে ।

শেষত মোৰ কাৰ্যকালত বিভিন্ন ধৰণে পৰামৰ্শ আগবঢ়োৱা তত্বাবধায়ক শ্ৰদ্ধাৰ কবিৰ হুছেইন ছাৰক মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো আৰু মোৰ কাৰ্যকালত হৈ যোৱা অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে সকলোৰে আগত ক্ষমা ভিক্ষা মাগি লগতে মহাবিদ্যালয়খনৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিলো।

*'জয়তু বিকালী মহাবিদ্যালয়'*
*'জয়তু বিকলী মহাবিদ্যালয় ছাত্ৰ একতা সভা'*

**ধন্যবাদেৰে-**
নৱজ্যোতি বসুমতাৰী
সম্পাদক, গুৰু ক্ৰীড়া বিভাগ
*বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৩-১৪ ইং শিক্ষাবৰ্ষ*

# সমাজ সেৱা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ প্ৰচেষ্টাত বিকালী মহাবিদ্যালয় গঢ়ি উঠিছিল তেওঁলোকলৈ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিছো।

২০১৩-১৪ বৰ্ষ ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে যি সকল দাদা-বাইদেউ, বন্ধু-বান্ধৱী আৰু ভাইটি-ভন্টি সকলে যোগ্য বুলি ভাৱি মোক নিৰ্বাচিত কৰিলে তেওঁলোকক মই আন্তৰিকতাৰে ধন্যবাদ আৰু শ্ৰদ্ধা নিবেদিছো।

সমাজ সেৱা শিক্ষা ব্যৱস্থাৰ এটা অবিচ্ছেদ্য অংগ। আমাৰ মহাবিদ্যালয়ত চলি থকা বিভিন্ন সমাজ সেৱামূলক কাম যেনে- চাফাই কাম, ৰাষ্ট্ৰীয় সেৱা আঁচনি, বৃক্ষ ৰোপণ আদিৰ লগতে জড়িত হৈ থকা বাবে ছাত্ৰ-ছাত্ৰী সকলে অমূল্য সাধন কৰিবৰ বাবে সক্ষম হৈছে বুলি মই বিশ্বাস কৰো।

**মহাবিদ্যালয় সপ্তাহ ঃ** এই মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ কিছুমান বিশেষ দিশত কাৰ্য সম্পাদন কৰিব লগা হৈছিল আৰু মহাবিদ্যালয় সপ্তাহত সকলোৰে মিলি-জুলি মোৰ বিভাগৰ কাম-কাজ সমূহ সম্পাদন কৰিছিলো।

**সৰস্বতী পূজা ঃ** অইন অইন বছৰৰ দৰে এইবেলিও সমাজ সেৱা বিভাগৰ পৰা সৰস্বতী পূজা পতা হয়। ছাত্ৰ একতা সভাৰ লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীৰ সহযোগত উলহ-মালহেৰে সৰস্বতী পূজা আয়োজন কৰা হয়।

**নৱাগত আদৰণি সভা ঃ** মোৰ কাৰ্যকাল ছোৱাত উলহ-মালহেৰে নৱাগত আদৰণি সভা অনুষ্ঠিত হয়। ইয়াৰ উপৰিও অন্যান্য কাম-কাজৰ ভিতৰত মহাবিদ্যালয়ৰ কেম্পাছ চাফ-চিকুন কৰি ৰখাৰ বাবে চাফাই কাম, বৃক্ষৰোপণ, সভা-সমিতি, বিভিন্ন দিৱস আৰু উৎসৱ পালন কৰা আদি কামসমূহ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ মই যথাসাধ্য চেষ্টা কৰি আহিছো।

**ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ লগত জড়িত কাৰ্যৱলী ঃ** মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সহযোগত সম্পূৰ্ণ কলেজ কেম্পাছ চাফাই কৰা হয় আৰু লগতে বৃক্ষৰোপণ কৰা হয়। এই আঁচনিত এন. এচ. এচ. দলৰ প্ৰগ্ৰেম অফিচাৰ; তেওঁৰ লগত এন. এচ. এচ. গ্ৰুপত অংশ গ্ৰহণ কৰা স্নাতক প্ৰথম, দ্বিতীয় আৰু তৃতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলোৰ সহযোগিতা বিশেষভাৱে উল্লেখযোগ্য।

অৱশেষত মোৰ কাৰ্যকালত মোক বিভিন্ন কাম-কাজত সহায় কৰা তত্ত্বাবধায়ক মাননীয় শ্ৰীযুত ধনঞ্জয় ৰাভা ছাৰ আৰু উপদেষ্টা মাননীয় শ্ৰীযুত ৰমেশ চন্দ্ৰ দাস ছাৰক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। লগতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন কাম-কাজত সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে তেওঁলোকলৈও অশেষ ধন্যবাদ জ্ঞাপন কৰিলো। সদৌ শেষত বিভিন্ন দিশত অজানিতে হৈ যোৱা মোৰ অনিচ্ছাকৃত দোষৰ বাবে ক্ষমা মাগিলোঁ।

*'জয়তু বিকালী মহাবিদ্যালয়'*

*'জয়তু বিকলী মহাবিদ্যালয় ছাত্ৰ একতা সভা'*

**ধন্যবাদেৰে-**

শ্ৰীদ্বীপজ্যোতি দাস

সম্পাদক, সমাজ সেৱা বিভাগ

*বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৩-১৪ ইং শিক্ষাবৰ্ষ*



# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক মুহূৰ্তত যিসকল সুযোগ্য সন্তানে অসমী আইৰ অস্তিত্ব ৰক্ষাৰ হেতু প্ৰাণ আহুতি দিলে, সেই সকল বীৰ শ্বহীদলৈ মোৰ সহস্ৰ প্ৰণাম যাছি শ্ৰদ্ধাৰে সোঁৱৰিছো। লগতে শ্ৰদ্ধাৰে সোঁৱৰিছো সেই সকল মহান ব্যক্তিক, যিসকলে অশেষ শ্ৰম কৰি নানান বাধা-বিঘিনিৰ মাজেৰে এই পবিত্ৰ জ্ঞানৰ মন্দিৰ "বিকালী মহাবিদ্যালয়" খন সুন্দৰ ভাৱে গঢ়ি তুলিছে। ২০১৩-১৪ ইং শিক্ষাবৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্ব্বাচনত যিসকল দাদা-বাইদেউ, বন্ধু-বান্ধৱীয়ে মোক তেওঁলোকৰ বহুমূলীয়া ভোটেৰে জয়যুক্ত কৰি সাংস্কৃতিক সম্পাদকৰ গুৰু দায়িত্ব ভাৰ অৰ্পন কৰিলে তাৰ বাবে মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সংস্কৃতি হৈছে এটা জাতিৰ মেৰুদণ্ড স্বৰূপ। সংস্কৃতি নাথাকিলে এটা জাতি জীয়াই নাথাকে। ৰামধেনুৰ সাতোটা ৰঙৰ দৰে সংগীতৰ সাতোটা স্বৰে মানুহৰ জীৱনটো অতি আনন্দময় কৰি ৰাখে। সেয়েহে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে যাতে সংগীতৰ প্ৰতি অনুৰাগী হৈ সংগীতৰ বিশাল জগতখনত নিজৰ প্ৰতিভা বিকশিত কৰি মহাবিদ্যালয়ৰ লগতে নিজৰো সুনাম কঢ়িয়াই আনিবলৈ যত্নপৰ হয় তাৰবাবে মই সকললৈ অনুৰোধ জনালো।

মোৰ কাৰ্যকালত অইন অইন বছৰৰ দৰে এইবেলিও ২১-০১-২০১৪ ইং তাৰিখৰ পৰা ২৫-০১-২০১৪ ইং তাৰিখলৈ মুঠ পাঁচদিনীয়া কাৰ্যসূচীৰে "মহাবিদ্যালয় সপ্তাহ" উদ্‌যাপন কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ আৰম্ভনিতে এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। ইয়াৰোপৰি মহাবিদ্যালয়ৰ "অ মোৰ আপোনাৰ দেশ সমন্বয় যাত্ৰা" ৰ শিল্পী সকলে বৰ্ষটোত বিভিন্ন ঠাইৰ, বিভিন্ন অনুষ্ঠানত বহুকেইটা জনজাতীয় ভাষাত "অ' মোৰ আপোনাৰ দেশ" জাতীয় সংগীতটো পৰিবেশন কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।

মোৰ কাৰ্যকালত সঘনেই অনুভৱ কৰি অহা সাংস্কৃতিক বিভাগৰ কিছুমান অভাৱ আৰু অসুবিধা সমূহ উল্লেখ কৰা ধৰণৰ

ক) আমি সদায় অভাৱ-অনুভৱ কৰি অহা প্ৰথম অভাৱটোৱেই হ'ল এটা ছাত্ৰী প্ৰেক্ষাগৃহ। প্ৰত্যেকবাৰে গানৰ ৰিহাৰ্চেল কৰিবলৈ গৈ কোঠালি বিচাৰি হাবাথুৰি খাবলগীয়া হয়।

খ) আমাৰ মহাবিদ্যালয়ত সাংস্কৃতিক বিভাগৰ বাদ্যযন্ত্ৰ নিচেই তাকৰ আৰু যিয়ো আছে সেইবোৰ আওপুৰণি। এখন মহাবিদ্যালয়ত হাৰমনিয়াম, তবলাৰ বাহিৰেও খোল, ঢোলকি, গীতাৰ, পেঁপা, বাঁহী, তাল, দতোৰা আদি থাকিলে ভাল হয়।

গ) বছৰত কমেও তিনিখন সাংস্কৃতিক বিষয়ৰ ওপৰত বিশেষজ্ঞ আমন্ত্ৰণ কৰি প্ৰশিক্ষণৰ ব্যৱস্থা কৰিলে প্ৰতিভা সম্পন্ন ছাত্ৰ-ছাত্ৰীখিনি উপকৃত হ'ব।

এবছৰীয়া কাৰ্যকালত সাংস্কৃতিক সম্পাদক হিচাপে মহাবিদ্যালয়খনৰ বাবে কি সেৱা আগবঢ়াইছো তাৰ বিচাৰৰ ভাৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ হাতত। কাৰ্যকালত মোৰ বিভিন্ন কাম-কাজত সহায় কৰা দাদাসম ভাতৃবন্ধু চক্ৰধৰ ৰাভা, হিৰকজ্যোতি বড়ো, লিন্ময় ৰয় আৰু বিজিত সূত্ৰধৰলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত এবছৰীয়া কাৰ্যকালত অজানিতে হৈ যোৱা মোৰ অনিচ্ছাকৃত ভুলৰ বাবে ক্ষমা বিচাৰিছোঁ। বিকালী মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি আৰু "বিকালিয়ান"ৰ দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰণি মাৰিলো।

"জয়তু বিকালী মহাবিদ্যালয়
জয়তু বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা"

বিকাশ কলিতা
সাংস্কৃতিক সম্পাদক
বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৩-১৪ ইং শিক্ষাবৰ্ষ

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



বিকালী মহাবিদ্যালয়ৰ জন্ম লগ্নৰে পৰা আমি তিনিটা দহক গঢ়কা উজ্জ্বল সময়ছোৱাত যি সকল ব্যক্তিৰ আগুশুধীয়া ত্যাগৰ বিনিময়ত এই অনুষ্ঠানৰ জয়যাত্ৰা আৰম্ভ হৈছে প্ৰতিবেদনৰ প্ৰাৰম্ভনিতে সেই ব্যক্তিসকলৰ ত্যাগ আৰু কষ্টক মই প্ৰনিপ্ৰাত জনাইছোঁ। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ দায়িত্বত যিসসল ছাত্ৰ-ছাত্ৰীয়ে মোক সহায়-সহযোগিতা আগবঢ়াইছে, সেই শুভকাঙ্খী ছাত্ৰ-ছাত্ৰীলৈ মোৰ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো।

মই ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক পদত অধিষ্ঠিত হৈ কাৰ্যভাৰ গ্ৰহণ কৰাৰ দিনৰে পৰা শেষ মুহূৰ্তলৈ এই দায়িত্বত মোৰ সফলতা আৰু বিফলতাৰ স্বীকৃতি ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলৰ বিচাৰ্য। কাৰ্যসূচীবোৰ সফল ৰূপায়নত সক্ৰিয়ভাৱে মনোনিৱেশ কৰিছিলো আৰু দায়িত্ব পালন কৰিছিলো। মোৰ প্ৰতিটো কামতে পৰোক্ষ বা প্ৰত্যেক্ষভাৱে সহায়-সহযোগিতা আগবঢ়োৱা তত্বাবধায়ক ছাৰ তথা বন্ধু-বান্ধৱীসকলোৰ আপুৰুগীয়া সহায় আৰু দিহা-পৰামৰ্শৰ বাবে অশেষ ধন্যবাদ জনাইছো। বিশেষকৈ ছাত্ৰ জিৰণি কোঠাৰ উপদেষ্টা মহাশয় মোঃ জয়নুদ্দিন ইছমাইল ছাৰ আৰু তত্বাবধায়ক মহাশয় শ্ৰীযুত পংকজ ৰাভা ছাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। সদৌ শেষত অনিচ্ছাকৃতভাৱে কৰা ভুলত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিছো।

**ধন্যবাদেৰে-**
বিদ্যুৎ বিকাশ পাঠক
সম্পাদক, ছাত্ৰ জিৰণি কোঠা
*বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৩-১৪ ইং শিক্ষাবৰ্ষ*

# ছাত্ৰী জিৰণি কোঠাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিয়ে অশেষ কষ্ট কৰি আমাৰ এই মহাবিদ্যালয়খন গঢ়ি তুলি আমালৈ জ্ঞানৰ পোহৰ বিলালে, সেই মহৎ ব্যক্তিসকললৈ আন্তৰিক শ্ৰদ্ধা জনালোঁ। লগতে ঐতিহ্যমণ্ডিত বিকালী মহাবিদ্যালয়ৰ ইং ২০১৩-১৪ শিক্ষাবৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ বাবে দায়িত্ব অৰ্পণ কৰি সেৱা কৰাৰ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধুবৰ্গলৈ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দিনক দিনে বাঢ়ি গৈছে যদিও প্ৰতিযোগীৰ সংখ্যা তেনেই নিম্নমানৰ দেখিবলৈ পাইছো। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিযোগীতাত লাজ, ভয়, সংকোচ আদিৰ কাৰণে আশা কৰা ফল দেখুৱাবলৈ সক্ষম হোৱা নাই। জনাবলৈ পাই দুঃখিত যে, এইবাৰ মহাবিদ্যালয় সপ্তাহত প্ৰতিযোগীৰ সংখ্যা বহুত কম। সেয়েহে মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ অনুৰোধ যাতে শিক্ষাৰ লগতে খেল-ধেমালিবোৰত অংশ গ্ৰহণ কৰি বিভিন্ন দিশত পাৰদৰ্শিতা প্ৰদৰ্শন কৰিব পাৰে।

মানুহৰ নাওখন আশাৰ ওপৰতে ওপঙি আছে। মানুহে যিমান আশা কৰে সিমান ফল নাপায়। কিন্তু আশাৰ সপোনবোৰ বাস্তৱত পৰিণত কৰিবলৈ চেষ্টা কৰিব পাৰি। সময় কালেকো ৰৈ নাথাকে। কম সময়ৰ ভিতৰত বিভাগটোৰ হৈ মই যিখিনি সেৱা আগবঢ়ালোঁ সেইটো বন্ধু-বান্ধৱী সকলৰ সহযোগতহে সম্ভৱ হৈছিল। এই চেগতে মই তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

প্ৰতিবেদনৰ শেষত মোক বিভিন্ন ধৰণে সহায়ৰ লগতে পৰামৰ্শ আগবঢ়োৱা মোৰ শ্ৰদ্ধাৰ অধ্যক্ষা বাইদেউ, অধ্যাপিকা বাইদেউ, তত্বাৱধায়িকা শ্ৰীযুতা মাইনাশ্ৰী বড়ো বাইদেউৰ লগতে বন্ধু-বান্ধৱী আৰু ছাত্ৰ একতা সভাৰ সমূহ সদস্য-সদস্যালৈ মোৰ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিছো।

শেষত মোৰ কাৰ্যকালত যদি কিবা অনিচ্ছাকৃতভাৱে ভুল-ভ্ৰান্তি হৈছে, মই সকলোৰে ওচৰত ক্ষমা বিচাৰিছো। লগতে মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ।

**ধন্যবাদেৰে -**

শান্তনা বসুমতাৰী
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা
*বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৩-১৪ ইং শিক্ষাবৰ্ষ*



# আলোচনী সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিয়ে অশেষ কষ্ট আৰু বলিদানৰ বিনিময়ত আমাৰ বিকালী মহাবিদ্যালয়ৰ নিচিনা মহান প্ৰতিষ্ঠানখন গঢ়ি তুলিলে সেইসকল মহান ব্যক্তিৰ পৱিত্ৰ স্মৃতিত গভীৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা আন্তৰিকতাৰে জ্ঞাপন কৰিছো।

২০১৩-১৪ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদক হিচাপে যিসকল দাদা-বাইদেউ, ভাইটি-ভন্টি আৰু সহপাঠীয়ে যোগ্য বুলি ভাবি মোক নিৰ্বাচিত কৰিলে তেওঁলোকক মই আন্তৰিকতাৰে অভিনন্দন আৰু ধন্যবাদ জ্ঞাপন কৰিছো।

আলোচনী সম্পাদকৰ দায়িত্ব লোৱাৰ লগে লগে মোৰ খুউব ভাল লাগিছিল। আলোচনী বিভাগৰ কাৰ্যসূচীবোৰ সুচাৰুৰূপে চলাই নিয়াৰ বাবে প্ৰস্তুত হৈছিলো। মই ভাবিছিলো আন আন বছৰৰ দৰে এইবেলিও মই আলোচনী বিভাগৰ কাৰ্যসূচীসমূহ উন্নত মানদণ্ডৰ কৰিম, কিন্তু সেৱা বাস্তৱ ৰূপ দিব পৰা নগল। তথাপি সামান্য সামৰ্থৰে মোৰ কাৰ্যসূচীসমূহ সুচাৰুৰূপে আগবঢ়াই নিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাছিলো। সমপাদকৰ দায়িত্ব লোৱাৰ লগে লগে মোৰ কাৰ্যসূচী হিচাপে পৰিল মহাবিদ্যালয় সপ্তাহ। মহাবিদ্যালয় সপ্তাহৰ সকলো কাৰ্যসূচী মই অতি নিষ্ঠা সহকাৰে চলাই নিয়াৰ চেষ্টা কৰিছিলো। এই ক্ষেত্ৰত মোক সকলো ধৰণে সহায় আৰু পৰামৰ্শ আগবঢ়াইছিল তত্বাবধায়ক শ্ৰীযুত ভূপতি দাস ছাৰ, এই সুযোগতে মই তেওঁক আন্তৰিকতাৰে কৃতজ্ঞতা জ্ঞাপন কৰিছো।

অৱশেষত মোৰ কাৰ্যকালত সকলো ধৰণে সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে মোৰ বন্ধু-বান্ধৱীসকলক ধন্যবাদ জ্ঞাপন কৰিছো। আৰু মোৰ কাৰ্যকালত হোৱা ভুল-ত্ৰুটি সমূহৰ ক্ষমা বিচাৰি লগতে বিকালী মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মই মোৰ সম্পাদকীয় প্ৰতিবেদন ইমানতে সামৰণি মাৰিলো।

**ধন্যবাদেৰে-**

সৌৰভ কলিতা

আলোচনী সম্পাদক

*বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা ২০১৩-১৪*


শোভাযাত্ৰা


আলোচনা চক্র


বিকালী মহাবিদ্যালয়, ধূপধৰা







Scuba diving in North Bay Coral Island Andaman by Dr. M.G. Singha








মুকলি সভা


COUNSELLING PROGRAMME
COUNSELLING & GUIDANCE CELL


AWARENESS PROGRAMME
OF
T.B. DISEASE




WORLD ENVIRONMENT DAY






REGIONAL LEVEL SEMINAR ON
ENVIRONMENT AND DEVELOPMENT : NORTH EAST INDIA PERSPECTIVES
Organized by :
in Collaboration with the North East India Geographical Society, HQ Deptt. of Geography
Gauhati University, Guwahati 14










বিকালী মহাবিদ্যালয়, ধূপধৰা
নৱাগত আদৰণি সভাৰ













D.C & Local M.A.L. at a Foundation stone laying ceremony






P.G. Students' at a Function






BIKALI COLLEGE
Date
DHUPDHARA












Asom Sahitya Sobha President
Imran Shah being Welcome

NAAC PEER TEAM








অসম চৰকাৰ
সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ
১৫০ বছৰীয়া জয়ন্তী অনুষ্ঠান
১৪ অক্টোবৰ মঙ্গলবাৰ, ২০১৪

